# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ১৬অক্টোবৰ ২০২০ চনত মছজিদ মোবাৰক ,ইছলামাবাদ বৃটেইন)ত প্ৰদান কৰা খোতবা জুমাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ মৰ্যাদা সম্পন্ন বদৰী চাহাবী হজৰত মুৱাবিজ বিন হাৰিছ (ৰাঃ)ৰ আৰু হজৰত উবায় বিন কাআব (ৰাঃ)ৰ পৱিত্ৰ গুণাৱলীৰ ঈমান উদ্দীপক চমু বিৱৰণী-**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ اَمَّا بَعْدُ فَاَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে কৈছে,আজি মই যি দুজন চাহাবীৰ বিষয়ে আলোচনা কৰিম তাৰে এজনৰ নাম হ'ল হজৰত মুৱাবিজ বিন হাৰিছ (ৰাঃ) আনছাৰ কবিলা খজৰজৰ সৈতে হজৰত মুৱাবিজ (ৰাঃ)ৰ সম্পৰ্ক আছিল। হজৰত মোৱাজ (ৰাঃ) আৰু হজৰত অউফ (ৰাঃ) এখেত দুজন হজৰত মুৱাবিজ (ৰাঃ)ৰ ভাই আছিল। এখেত তিনি ভাই-ককাইক বনু আফৰা বুলিও কোৱা হয়। ইবনে ইছহাক বৰ্ণনা কৰিছে যে, হজৰত মুৱাবিজ (ৰাঃ) সত্তৰ জন আনছাৰীৰ লগতে বয়াতে উকবা ছানিয়া (দ্বিতীয়)ত অংশ গ্ৰহণ কৰিছিল। হজৰত মুৱাবিজ (ৰাঃ)য়ে নিজৰ দুজন ভায়েক হজৰত মোৱাজ (ৰাঃ)আৰু হজৰত অউফ (ৰাঃ)ৰ সৈতে বদৰৰ যুদ্ধত অংশ গ্ৰহণ কৰাৰ সৌভাগ্য লাভ কৰিছিল।

হজৰত আনাছ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে, আঁ-হজৰত (ছাঃ)য়ে বদৰৰ যুদ্ধৰ দিনা কৈছিল যে- কোনে চাব ! আবু জাহিলৰ কি অৱস্থা হৈছে ? হজৰত ইবনে মাছুদ গৈছিল আৰু গৈ দেখিবলৈ পাইছিল যে আবু জাহিলক আফৰাৱাৰ দুই পুত্ৰই তৰোৱালেৰে ইমান ঘপিয়াইছে যে আবু জাহিলৰ মৃত প্ৰায় অৱস্থা হৈ গৈছে। ইয়াৰ পিছত হজৰত আব্দুল্লাহ বিন মাছুদ (ৰাঃ)য়ে আবু জাহিলৰ মূৰটো ডিঙিৰ পৰা পৃথক কৰি দিছিল।বদৰৰ ৰণ ভূমিত হজৰত মুৱাবিজ (ৰাঃ)য়ে যুদ্ধ কৰি কৰি শ্বহীদ হৈ গৈছিল। আবু মছাফাহ নামৰ লোকজনে এখেত (ৰাঃ)ক শ্বহীদ কৰিছিল।

হজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে, এতিয়া ইয়াৰ পিছৰ জন চাহাবী হজৰত উবায় বিন কাআব (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰিম। আনছাৰৰ কবিলা খজৰজৰ এটা শাখা গোত্ৰ বনু মোৱাবিয়াৰ সৈতে এখেত (ৰাঃ)ৰ সম্পৰ্ক আছিল। হজৰত উবায় বিন কাৱাব (ৰাঃ) ওখও নহয় চাপৰও নহয় মজলীয়া আকৃতিৰ লোক আছিল। হজৰত উবায় (ৰাঃ)য়ে আঁ-হজৰত (ছাঃ)ৰ ওপৰত অৱতীৰ্ণ হোৱা অহি সমূহ লিখি ৰখাৰ সৌভাগ্য লাভ কৰিছিল। হজৰত ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে- মোৰ উম্মতৰ আটাইতকৈ ডাঙৰ কাৰি হ'ল উবায় (ৰাঃ)। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে- হজৰত উবায় বিন কাআব (ৰাঃ) সেই চাৰিজন লোকৰ মাজত এজন আছিল, যি সকলৰ বিষয়ে ৰছুলে কৰীম (ছাঃ)য়ে কৈছিল যে- এওঁলোক উম্মতৰ কাৰি অৰ্থাৎ যদি কোনোবাই কোৰ-আন শিকিব লাগে তেন্তে এওঁলোকৰ পৰা শিকিব। হজৰত উবায় (ৰাঃ) সেই পোন্ধৰজন ব্যক্তিৰ মাজত এজন আছিল, যি সকলৰ দ্বাৰা ৰছুলুল্লাহ (ছাঃ)য়ে কোৰ-আন কৰীম লিখোৱাইছিল।

হজৰত আনাছ বিন মালিক (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে নবী (ছাঃ)য়ে হজৰত উবায় (ৰাঃ)ক কৈছিল-

আল্লাহ তা'লা মোক আদেশ দিছে যে, মই তোমাক لَمۡ يَكُنِ الَّذِيۡنَ كَفَرُوۡا مِنۡ اَهۡلِ الۡكِتٰبِ পঢ়ি শুনাওঁ। তেতিয়া হজৰত উবায় (ৰাঃ)য়ে সুধিছিল কিয়! আল্লাহ তা'লা আপোনাৰ ওচৰত মোৰ নাম উচ্চাৰণ কৰিছে নেকি ? তেখেত (ছাঃ)য়ে কৈছিল হয়। এয়া শুনি হজৰত উবায় (ৰাঃ)য়ে উচুপি উঠিছিল।

হজৰত আনছ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে, চাৰজিন লোকে নবী (ছাঃ)ৰ জীৱিত কালত গোটেইখিনি কোৰ-আন মুখস্থ কৰিছিল। হজৰত উবায় বিন কাআব (ৰাঃ), হজৰত মুৱাজ বিন জবল (ৰাঃ), হজৰত আবু জায়েদ (ৰাঃ) আৰু হজৰত জায়েদ বিন ছাবিত (ৰাঃ) এখেত চাৰিওজন আনছাৰী আছিল।

আঁ-হজৰত (ছাঃ)য়ে মোৰ উম্মতৰ মাজত আটাইতকৈ বেছি কিৰাতৰ জ্ঞান ৰাখোঁতা হ'ল হজৰত উবায় বিন কাআব (ৰাঃ)। আঁ-হজৰত (ছাঃ)য়ে মদিনাত আহি অৱস্থান কৰাৰ পিছত তেখেত (ছাঃ)ৰ অহি সৰ্বপ্ৰথম হজৰত উবায় বিন কাআব (ৰাঃ) য়ে লিখিছিল। হজৰত উবায় (ৰাঃ)য়ে কোৰ-আন কৰীমৰ প্ৰত্যেক আখৰ (শব্দ) ৰছুলুল্লাহ (ছাঃ)ৰ মুখৰ পৰা শুনি মনত ৰাখিছিল। আঁ-হজৰত (ছাঃ)য়েও এখেতৰ আগ্ৰহ চাই এখেত (ৰাঃ)ক ফজৰৰ নমাজ পঢ়োৱাৰ সময়ত এটা আয়াত মাজৰ পৰা পাহৰি গৈছিল। নমাজ শেষ হোৱাৰ পিছত আঁ-হজৰত (ছাঃ)য়ে লোকক সুধিছিল যে, কোনোবাই মোৰ কিৰাত ভালদৰে শুনিছানে ? তেতিয়া সকলোৱে চুপ হৈ গৈছিল। একমাত্ৰ হজৰত উবায় (ৰাঃ)য়ে নিবেদন কৰিছিল ইয়া ৰছুলুল্লাহ (ছাঃ) ! আপুনি অমুক আয়াতটো পঢ়া নাই, কিয় এয়া মনছুখ (বাদ দিয়া) হ'ল নেকি, নাইবা আপুনি পঢ়িবলৈ পাহৰিলে নেকি ? আঁ-হজৰত (ছাঃ)য়ে কৈছিল নহয় ! মই পঢ়িবলৈ পাহৰি গৈছিলো। ইয়াৰ পিছত আঁ-হজৰত (ছাঃ)য়ে হজৰত উবায় (ৰাঃ)ক কৈছিল যে, মই জানিছিলোঁ যে, তোমাৰ বাহিৰে কোনেও এই ফালে মন দিয়া নাই।

হজৰত উবায় বিন কাআব (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে, ৰছুলুল্লাহ (ছাঃ) য়ে মোক কৈছে, হে উবায় ! মোক আদেশ দিয়া হৈছে যে, মই যেন কোৰ-আন কৰীম এটা কিৰাতত পঢ়ো। মই আবেদন জনাইছিলোঁ যে, মোৰ উম্মতৰ নিমিত্তে এয়া সহজ কৰি দিয়া যাওঁক। গতিকে সি মোক দ্বিতীয়বাৰ কৈছিল যে, মই যেন কোৰ-আন কৰীম দুই কিৰাতত পঢ়ো। মই আবেদন কৰিছিলোঁ, মোৰ উম্মতৰ নিমিত্তে এয়া সহজ কৰি দিয়ক। আকৌ সি মোক তৃতীয়বাৰ কৈছিল, মই যেন এয়া সাত কিৰাতত পঢ়ো। গতিকে আল্লাহ তা'লা কৈছে- প্ৰত্যেক প্ৰশ্নৰ সৈতে মই যি উত্তৰ তোমাক দিছো তাত তোমাক এটা দোৱাৰ অধিকাৰ দিয়া হৈছে, যি তুমি মোৰ পৰা বিচাৰিব পাৰা। তেতিয়া মই আবেদন কৰিছিলোঁ যে, হে আল্লাহ ! মোৰ উম্মতক ক্ষমা কৰি দিয়া, তেতিয়া আল্লাহ তা'লা কৈছিল তৃতীয় দোৱা মই সেই দিনটোৰ বাবে জমা ৰাখিছো, যিদিনা গোটেই সৃষ্টি জীৱ মোৰ ফালে মনোযোগ দিব (ঘূৰি আহিব) ইমানেই যে ইব্ৰাহিমও আহিব।

হজৰত উবায় বিন কাআব (ৰাঃ)য়ে কোৰ-আন কৰীমৰ কিৰাতত যি দক্ষতা অৰ্জন কৰিছিল তাৰ অনুমান ইয়াৰ পৰা কৰিব পাৰি যে, আঁ-হজৰত (ছাঃ) নিজে এখেত (ৰাঃ)ৰ দ্বাৰা কোৰ-আন কৰীম বাৰে বাৰে পাঠ কৰোৱাইছিল। গতিকে যি বছৰত আঁ-হজৰত (ছাঃ)ৰ মৃত্যু হৈছিল, সেই বছৰত আঁ-হজৰত (ছাঃ)য়ে হজৰত উবায় (ৰাঃ)ক কোৰ-আন পাঠ কৰি শুনাইছিল আৰু কৈছিল যে, মোক জিব্ৰাইল (আঃ)য়ে কৈছে যে, উবায় (ৰাঃ)ক কোৰ-আন পঢ়ি শুনাই দিয়ক।

হজৰত উবায় বিন কাআব (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে, ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল, হে আবু মনজৰ, তুমি জানানে আল্লাহৰ কিতাপ যি তোমালোকৰ ওচৰত আছে; তাত সকলোতকৈ মহান আয়াত কোনটো ? হজৰত উবায় (ৰাঃ)য়ে কৈছিল, আল্লাহ আৰু তাৰ ৰছুল ভালদৰে জানে। তেখেত (ছাঃ)য়ে আকৌ সুধিছিল যে, তুমি জানানে আল্লাহৰ কিতাপ যি তোমালোকৰ ওচৰত আছে; তাত সকলোতকৈ মহান আয়াত কোনটো ? হজৰত

উবায় (ৰাঃ)য়ে উত্তৰ দিছিল সেই আয়াত হ’ল আল্লাহ- اللّٰهُ لَآ اِلٰهَ اِلَّا هُوَ الْحَیُّ الْقَیُّوْمُ তেখেত (ৰাঃ)য়ে কৈছে যে, হুজুৰ (ছাঃ)য়ে মোৰ বুকুত হাত বুলাইছিল আৰু কৈছিল খোদাৰ শপত ! হে আবু মনজৰ ! জ্ঞান তোমাৰ বাবে মোবাৰক হওঁক।

আঁ-হজৰত (ছাঃ)ৰ পৱিত্ৰ সময়ছোৱাত হজৰত উবায় (ৰাঃ)য়ে হজৰত তুফেল বিন উমৰুদোছি (ৰাঃ)ক কোৰ-আন পঢ়া শিকাইছিল। তেওঁ এটা কামান হাদিয়া হিচাপে হজৰত উবায় (ৰাঃ)ক দিছিল। ৰছুলুল্লাহ (ছাঃ) য়ে কৈছিল; তুমি এয়া উভতাই দিয়া। ভৱিষ্যতে এনেকুৱা হাদিয়া এৰাই চলিবা। অৰ্থাৎ কোৰ-আন পঢ়োৱাৰ নিমিত্তে কোনো ধৰণৰ হাদিয়া নল’বা।

হজৰত উবায় (ৰাঃ)য়ে যুদ্ধ বদৰ, উহুদ,খন্দক আদিকৰি সকলো যুদ্ধত আঁ-হজৰত (ছাঃ)ৰ লগত যোগ দিছিল। হজৰত আবু বক্কৰ (ৰাঃ)ৰ খিলাফৎ কালত কোৰ-আন মজিদৰ তৰতিব (ক্ৰম) আৰু জমা কৰাৰ কাম আৰম্ভ কৰা হৈছিল। চাহাবা সকলৰ যি দলটোক এই কামৰ বাবে নিয়োগ কৰা হৈছিল; হজৰত উবায় (ৰাঃ)য়ে এই দলটোৰ নেতৃত্ব দিছিল আৰু এখেত (ৰাঃ)য়ে কোৰ-আন কৰীমৰ শব্দবোৰ কৈ গৈছিল আৰু লোকসকলে সেইবোৰ লিখিছিল।

হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত এখেত (ৰাঃ)য়ে বহুতো বিভাগ বঢ়াই লৈছিল; যাৰ মাজত এটা আছিল মজলিছে শ্বুৰা (পৰামৰ্শ সভা) মজলিছে শ্বুৰাৰ সদস্য আছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত উবায় (ৰাঃ)সেই সকল বুজুৰ্গৰ মাজত এজন যিসকলে আঁ-হজৰত (ছাঃ)ৰ পৰা হাদিছবোৰৰ এটা ডাঙৰ অংশ শুনিছিল,এই কাৰণেই বহু সংখ্যক চাহাবা হাদীছ পাঠৰ বাবে এখেত (ৰাঃ)ৰ ছাত্ৰ হৈ পৰিছিল। হজৰত উমৰ বিন খাত্তাব (ৰাঃ), হজৰত আবু আয়উব আনছাৰী (ৰাঃ), হজৰত আবদা বিন ছামত (ৰাঃ), হজৰত আবু হুৰাইৰা (ৰাঃ), হজৰত আবু মুছা আশ্বআৰী (ৰাঃ), হজৰত আনাছ বিন মালিক (ৰাঃ), হজৰত আব্দুল্লাহ বিন আব্বাছ (ৰাঃ), হজৰত ছাহাল বিন ছাআদ (ৰাঃ) আদি সকলোৱে হজৰত উবায় বিন কাআব (ৰাঃ)ৰ পৰা হাদীছৰ জ্ঞান লাভ কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে, হজৰত উচমান (ৰাঃ)ৰ খিলাফত কালত কোৰ-আন মজিদৰ উচ্চাৰণ সম্পৰ্কে মতানৈক্য ঘটিছিল। এয়া লক্ষ্য কৰি হজৰত উচমান (ৰাঃ)য়ে কৈছিল যে- মই সকলো মুছলমানক এক ধৰণৰ উচ্চাৰণৰ কোৰ-আনৰ ওপৰত একগোট কৰিব বিচাৰো। কুৰাইছ আৰু আনছাৰ সকলৰ মাজত বাৰজন ব্যক্তি আছিল; যি সকলৰ কোৰ-আন সম্পৰ্কে পূৰ্ণ জ্ঞান আছিল। হজৰত উচমান (ৰাঃ)য়ে তেখেত সকলক এই গুৰুত্ব পূৰ্ণ কামৰ দায়িত্ব অৰ্পন কৰিছিল আৰু হজৰত উবায় বিন কাআব (ৰাঃ)ক সেই মজলিচৰ নেতৃত্ব দিছিল। হজৰত উবায় (ৰাঃ)য়ে কোৰ-আনৰ শব্দবোৰ কৈ গৈছিল আৰু হজৰত জায়েদ (ৰাঃ)য়ে সেয়া লিখি গৈছিল। আজি কোৰ-আন মজিদৰ যি ছবি আছে সেয়া হজৰত উবায় বিন কাআব (ৰাঃ)ৰ কিৰাত অনুসৰি লিখা আছে।

হজৰত উবায় বিন কাআব (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে, তেখেত (ৰাঃ)য়ে আঠোটা ৰাতিৰ ভিতৰতে কোৰ-আন কৰীম প্ৰথমৰে পৰা শেষলৈ এবাৰ পঢ়িছিল। হজৰত উবায় (ৰাঃ)ৰ ৰছুল প্ৰেমৰ অৱস্থা এনেকুৱা আছিল যে ৰছুলুল্লাহ (ছাঃ) মছজিদ নবৱীৰ স্তম্ভ (খুটি)ৰ খেজুৰ গছৰ এটা ঠাৰিৰ সৈতে ভেজা দি থিয় হৈ খোতবা দিয়া কৰিছিল। আকৌ যেতিয়া তেখেত (ছাঃ)ৰ বাবে মিম্বাৰ বনোৱা হৈছিল আৰু আঁ-হজৰত (ছাঃ)য়ে সেই মিম্বাৰত বহি জুমাৰ খোতবা দিবলৈ লৈছিল এনেতে সেই খুঁটিৰ পৰা চিঞৰ মৰাৰ শব্দ মছজিদত থকা সকলে শুনিবলৈ পায়। ৰছুলুল্লাহ (ছাঃ)য়ে সেই খুঁটিৰ ওচৰলৈ আহে আৰু নিজৰ হাতখন ঠাৰিৰ ওপৰত ৰাখে, আকৌ

তাক বুকুত সাৱটি লয় তেতিয়া ঠাৰিটোৱে সৰু কেঁচুৱাৰ দৰে কান্দিবলৈ লয়, যাক নিচুকাই লোৱা হয় আৰু তাৰ ধৈৰ্য্য আহি যায় আৰু কান্দোনৰ শব্দও বন্ধ হৈ যায়। পিছত যেতিয়া মছজিদ ভাঙি নতুনকৈ নিৰ্মাণ কৰা হৈছিল তেতিয়া হজৰত উবায় বিন কাআব (ৰাঃ)য়ে সেই ঠাৰি ডাল লৈ লৈছিল আৰু তাক নিজৰ ঘৰলৈ লৈ গৈছিল কাৰণ আঁ-হজৰত (ছাঃ)য়ে সেই ঠাৰিত ভেজাদি থিয় হৈছিল। ইমানেই যে সেই ঠাৰিডাল ঘুণে খাই নষ্ট কৰি পেলাইছিল তথাপি হজৰত উবায় (ৰাঃ)য়ে সেয়া নিজৰ ওচৰতে ৰাখিছিল।

ৰছুলুল্লাহ (ছাঃ)ৰ আচহাবৰ মাজত ছয়জন কাজি আছিল; ইয়াৰে এজন আছিল হজৰত উবায় বিন কাআব (ৰাঃ)। হজৰত উবায় (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে, মই আঁ-হজৰত (ছাঃ)ৰ সময়ত এশ ডিনাৰ পাইছিলো (অৰ্থাৎ হেৰুৱা ডিনাৰ) আঁ- হজৰত (ছাঃ) য়ে মোক আদেশ দিছিল যে গোটেই বছৰ জুৰি এয়া লোকৰ মাজত ঘোষণা কৰি থাকা, পিছত আৰু এটা বছৰ অপেক্ষা কৰি থাকা যদি কোনোবাই চিহ্ন অনুযায়ী বিচাৰে তেন্তে তাক দি দিবা; এনেকুৱা যদি নহয় তেন্তে এয়া তোমাৰ হৈ যাব। এবাৰ এজন লোকে কিবা বস্তু এটা হেৰুৱাৰ বাবে মছজিদত চিঞৰি মাতিছিল; হজৰত উবায় (ৰাঃ)য়ে সেয়া দেখি ক্ৰোধান্বিত হৈ কৈছিল- এই কামটো মছজিদৰ সন্মান বিৰুদ্ধ যে ইয়াত আহি কোনো জাগতিক বস্তুৰ ঘোষণা কৰা হয়।

হজৰত উবায় বিন কাআব (ৰাঃ) ত্ৰিছ হিজৰীত মৃত্যুবৰণ কৰিছিল। এখেত (ৰাঃ)ৰ সন্তানৰ মাজত আছিল তুফেল, মহম্মদ আৰু জীয়েক উম্মে উমৰু। উক্ত ল'ৰা ছোৱালী কেইজনৰ মাকৰ নাম আছিল উম্মে তুফেল বিনতে তুফেল। দোচ কবিলাৰ সৈতে এখেতৰ সম্পৰ্ক আছিল। ইমানতে হজৰত উবায় বিন কাআবৰ বিষয়ে বৰ্ণনা কৰা ঘটনা শেষ হ'ল।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**KHULASA KHUTBA JUMA HUZOOR ANWAR (aba) 16 OCTOBER 2020**

## BOOK POST (PRINTED MATTER)

TO,
.............................................................................................................................
.............................................................................................................................
.............................................................................................................................
.............................................................................................................................
.............................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844